ISSN: 2278-4128

# BEEKSHA

VOL-XVI, DECEMBER, 2023

A Blind Peer Reviewed Journal
Published by Assam College Teachers' Association (ACTA)
Golaghat Zone



Editor : Yugal Jyoti Borah

**BEEKSHA, VOL. XVI, December,2023**, A multidisciplinary Blind Peer Reviewed Journal edited by Yugal Jyoti Borah and Published by Assam College Teachers' Association(ACTA), Golaghat Zonal Committee.

Date of publication : 30 December,2023




**Editorial Board**

**Advisors:**

Mr. Jyoti Prasad Dutta
Mr. Satyabrat Dutta

**Editor :**

Yugal Jyoti Borah

**Assistant Editors:**

Dr. Amarjyoti Bordoloi
Mr. Dhruba Kumar Sardar

**Cover Page:**

Manjit Rajkhowa

**ISSN NO: 2278-4128**

Printed at
KAZIRANGA OFFSET PRINTERS
Industrial Estate, Bamunimoidam, Guwahati-21

.....................Contents...............

◈*Editorial*

◈সৃজনশীল সাহিত্য : এক বিশ্লেষণাত্মক অধ্যয়ন 8

✍ ড° ৰুবী বৰা

◈শাস্ত্ৰকথাত বিজ্ঞান ভাৱনা 16

✍ ড° নয়নমণি মেধি

◈অৰুণ শৰ্মা আৰু বাদল সৰকাৰৰ নাটকৰ উপস্থাপন শৈলী : চমু আলোচনা 21

✍ ড° প্ৰণৱ ফুকন

◈নিম্নবৰ্গীয় সমাজ আৰু জেহিকল হুছেইনৰ গল্প 'ডেটি' — এক বিশ্লেষণাত্মক আলোচনা 31

✍ বিংকুমণি গগৈ

◈একবিংশ শতিকাৰ অসমীয়া ভাষাঃ প্ৰত্যাহ্বান আৰু সমস্যা 3

✍ প্ৰতিম শইকীয়া

◈অনুৰাধা শৰ্মা পূজাৰীৰ নিৰ্বাচিত উপন্যাসত নাৰী চেতনা 4

✍ ড° জেৰাৰী শৰ্মা

◈লক্ষ্মীধৰ বৰাৰ আত্মজীৱনী *মুক্তিযুঁজৰ সোঁৱৰণ* : স্বাধীনতা সংগ্ৰামৰ এক প্ৰামাণ্য দলিল

✍ ড০ দীপালি গগৈ

◈Lexicalization of new Khamti Words

✍ Sunil Handique

◈নক্টেকলৰ পৰম্পৰাগত দিন, মাহ গণনা পদ্ধতিঃ

✍ ড° অমৰ শইকীয়া

◈Poetry of Survival: Sylvia Plath in Practice

✍ Tejoswita Saikia

◈Portrayal of Death and Immortality in the poetry of Emily Dickinson

✍ Yugal Jyoti Borah

◈Me-Dam-Me-Phi: Cultural Identity of theTai-Ahoms

✍ Juri Baruah

◈Bamboo Plantation as a source of Self Employability in Assam-Special reference to Assam Bio Refinery Private Limited(ABRPL)

✍ Dipty Tamuly

◈The Role of Government Policy in Mitigating the Negative Effects of Demand-Pull Inflation on Assam's Economy: A Statistical Analysis

✍ Diganta Kumar Mudoi

◈ উপভোগ্য দ্ৰব্য হিচাপে শিক্ষা ঃ এক অৰ্থনৈতিক সম্পৰীক্ষা

✍ অৰিন্দম বৰা

◈A Historical Study On The Forts And Ramparts During The Ahom Period

✍ Dr. Mamoni Mahanta

ISSN:2278-4128

# নিম্নবৰ্গীয় সমাজ আৰু জেহিৰুল হুছেইনৰ গল্প 'ভেটি' – এক বিশ্লেষণাত্মক আলোচনা

✍ ৰিংকুমণি গগৈ,
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
গোলাঘাট পুৰ্বাঞ্চলিক মহাবিদ্যালয়


## সংক্ষিপ্তসাৰ

ভাৰতবৰ্ষৰ ইতিহাস চৰ্চাত বা সাহিত্য চৰ্চাৰ ইতিহাসতে হওঁক প্ৰায় অৱহেলিত এটা বিষয় হৈছে নিম্নবৰ্গীয় বিভিন্ন শ্ৰেণী সমাজ। পুঁজিবাদী সমাজ ব্যৱস্থাত নিম্নবৰ্গ হৈছে শ্ৰমিক শ্ৰেণী। ইটালীৰ আন্টোনিও গ্ৰেমেছিয়ে sub-altern শব্দটো অন্ততঃ দুটা অৰ্থত ব্যৱহাৰ কৰিছে যদিও বহুত সময়ত তেখেতে প্ৰলেটাৰিয়েট (proletariat) অৰ্থাৎ শ্ৰমিক শ্ৰেণীক বুজাবলৈ নিম্নবৰ্গ শব্দটো (subaltern) ব্যৱহাৰ কৰিছে।

প্ৰকৃততে বহু সময়ত দেখা যায় নিম্নবৰ্গৰ সমাজখন নিষ্ক্ৰীয়, ভয়াতুৰ, অনুগত এক জীৱ হিচাপে বৰ্তি থাকে। কেৱল বিদ্ৰোহ আৰু ৰাজনৈতিক প্ৰেক্ষাপটতহে শাসক গোষ্ঠীবোৰে নিম্নবৰ্গক শক্তিশালী প্ৰতিপক্ষ হিচাপে গণ্য কৰে। সাহিত্যত নিম্নবৰ্গীয় সমাজ আৰু চিন্তা-চেতনাৰ যি চৰ্চা সি শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰা নাই, বিশেষকৈ অসমীয়া সাহিত্যত মূলতঃ নিম্নবৰ্গীয় পৰিভাষাটো প্ৰত্যক্ষ ৰূপত ব্যৱহাৰ হোৱা দেখা পোৱা নাযায়। কিন্তু প্ৰান্তীয় সমাজৰ যি সংগ্ৰাম, হতাশা, ক্ষোভ, যাতনা, প্ৰতিবাদ, বিভিন্ন ৰচনাৰ মাজেদি অসমীয়া সাহিত্যৰ বিভিন্ন লেখকে মৰ্মস্পৰ্শী ৰূপত অংকন কৰিবলৈ সক্ষম হৈছে। অসমীয়া গল্পকাৰসকলৰ অন্যতম জেহিৰুল হুছেইনৰ 'দুবৰি বনৰ জুই (১৯৯২)', 'ৰাংকুকুৰৰ টুপী (২০০০)', 'চিলিকন ভেলীৰ মানুহ (২০০৫)' প্ৰকাশিত তিনিখন গল্পপুথি। 'দুবৰি বনৰ জুই' গল্পপুথিত সন্নিবিষ্ট 'ভেটি' গল্পটোৰ মাজেদি প্ৰান্তীয় তথা নিম্নবৰ্গীয় সমাজ জীৱনৰ ছবিখন অনন্য ৰূপত প্ৰকাশ পাইছে। বিষয়বস্তুৰ প্ৰতি ৰজিতা খুৱাই আঙ্গিকৰ প্ৰতি অৱহেলা নকৰাকৈ গল্পকাৰে 'ভেটি' গল্পটোত শক্তিশালী ৰূপত নিম্নবৰ্গীয় সমাজখন ধৰি ৰাখিবলৈ সক্ষম হৈছে।

এই আলোচনাপত্ৰত 'ভেটি' গল্পৰ বিষয়বস্তু আৰু নিম্নবৰ্গীয় সমাজখনৰ ছবি কেনেদৰে প্ৰকাশ হৈছে তাক বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা কৰা হ'ব।


**বীজ শব্দ ঃ** নিম্নবৰ্গীয় সমাজ, জেহিৰুল হুছেইন, গল্প, ভেটি।